# REGIONAL NEWS UNIT
## ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 18-01-2026
**Time :** 0900 Hrs.

## *Assamese Morning Bulletin*
## HEADLINES

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ উপস্থিতিত আজি কাজিৰঙা এলিভেটেড কৰিড'ৰৰ আধাৰশিলা স্থাপন অনুষ্ঠান।
২। জাগীৰোড ৰে'ল ষ্টেচনত ডিব্ৰুগড়ৰ পৰা লক্ষ্ণৌ আৰু কামাখ্যাৰ পৰা ৰ'হটকলৈ চলিবলগীয়া দুখন নতুন অমৃত ভাৰত এক্সপ্ৰেছ ৰে'লগাড়ীৰ যাত্ৰাৰ শুভাৰম্ভ কাৰ্যসূচী।
৩। গুৱাহাটী-উত্তৰ গুৱাহাটীৰ মাজত নিৰ্মীয়মান কুমাৰ ভাস্কৰ বৰ্মা সেতু অহা মাহত মুকলি।
৪। আউনীআটি সত্ৰৰ মণিকাঞ্চন ৰংগক্ষেত্ৰত আজিৰেপৰা ১১ দিনীয়াকৈ অসম ভাওনা সমাৰোহ।

*আৰু*

৫। ৰাজকোটত হ'বলগীয়া ১৬ বছৰ অনুৰ্ধ বিজয় মাৰ্চেণ্ট ট্ৰফী ক্ৰিকেট প্ৰতিযোগিতাৰ ছেমি ফাইনেলত আজি অসম মহাৰাষ্ট্ৰৰ সন্মুখীন।

০০০০০০০

দুদিনীয়া ভ্ৰমণসূচীৰে অসমলৈ অহা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি কলিয়াবৰৰ মৌচন্দা পথাৰত এখন ৰাজহুৱা সভাত কলিয়াবৰৰ পৰা বোকাখাতলৈ ছহেজাৰ ৯৫৭ কোটি টকা ব্যয়সাপেক্ষে নিৰ্মাণ হ'বলগীয়া কাজিৰঙা এলিভেটেড কৰিড'ৰৰ আধাৰশিলা স্থাপন কৰিব। এই এলিভেটেড কৰিড'ৰে ৰাষ্ট্ৰীয় উদ্যানৰ জীৱ-জন্তু বাধাহীনভাৱে আহ-যাহ সুনিশ্চিত কৰিব আৰু মানুহ আৰু জীৱ-জন্তুৰ সংঘাত হ্ৰাস কৰাত সহায় কৰিব। এলিভেটেড কৰিড'ৰ নিৰ্মাণ সম্পূৰ্ণ হৈ উঠিলে পথ সুৰক্ষা বৃদ্ধি পাব, যাত্ৰাৰ সময় ৰাহি হ'ব আৰু দুৰ্ঘটনাৰ হাৰ হ্ৰাস পাব বুলি আশা কৰা হৈছে। এই অনুষ্ঠানত ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্য, মুখ্যমন্ত্ৰী ডº হিমন্ত বিশ্ব শৰ্মা, কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, পৱিত্ৰ মাৰ্ঘেৰিটা, ৰাজ্যৰ কেইবাগৰাকীও মন্ত্ৰী, সাংসদ আৰু বিধায়ক উপস্থিত থাকিব। এই অনুষ্ঠান সন্দৰ্ভত কলিয়াবৰৰ পৰা এয়া আমাৰ নগাঁৱৰ সংবাদদাতা মুনীন্দ্ৰ শইকীয়া –

*-বাইট-*

প্ৰধানমন্ত্ৰী মোদীয়ে আজি এই ভ্ৰমণৰ সময়তে জাগীৰোড ৰে'ল ষ্টেচনত আয়োজিত এটা অনুষ্ঠানত **ডিব্ৰুগড়ৰ পৰা লক্ষ্ণৌৰ গোমটিলৈ** আৰু **কামাখ্যাৰ পৰা ৰ'হটকলৈ** চলিবলগীয়া দুখন নতুন অমৃত ভাৰত এক্সপ্ৰেছ ৰে'লগাড়ীৰ যাত্ৰাৰো শুভাৰম্ভ কৰিব। এই নতুন ৰে'ল সেৱাই উত্তৰ-পূৰ্বাঞ্চল আৰু উত্তৰ ভাৰতৰ মাজৰ ৰে'ল যোগাযোগ ব্যৱস্থা সুদৃঢ় কৰিব। এই সন্দৰ্ভত ৰে'লৱেৰ মাণ্ডলিক বাণিজ্যিক প্ৰবন্ধক ধ্ৰুৱজ্যোতি বৰ্মনে কয়, যে এই ৰে'লসেৱাই যাত্ৰীৰ সুৰক্ষা নিশ্চিত কৰাৰ লগতে দুটা ইঞ্জিনৰ ব্যৱস্থাৰে নিৰ্ভৰযোগ্যতাও বৃদ্ধি কৰিব। তদুপৰি এই ৰে'লসমূহত অগ্নি নিৰ্বাপনৰ ব্যৱস্থাকে ধৰি উন্নত প্ৰযুক্তিৰ সুৰক্ষা ব্যৱস্থা থাকিব বুলি তেওঁ উল্লেখ কৰে।

প্ৰধানমন্ত্ৰীয়ে কালি সৰুসজাইৰ অৰ্জুন ভোগেশ্বৰ বৰুৱা ক্ৰীড়া প্ৰকল্পত ১০ হাজাৰৰো অধিক শিল্পীয়ে পৰিৱেশন কৰা বড়োসকলৰ বাগৰুম্বা নৃত্য উপভোগ কৰে।

*—বাগৰুম্বা-*

শ্ৰীমোদীয়ে কয়, যে বাগৰুম্বা কেৱলমাত্ৰ উৎসৱ নহয়, এয়া বড়োসকলৰ কৃষ্টি, সংস্কৃতি আৰু পৰম্পৰাক সন্মান দিয়াৰ এটা মাধ্যম। অসমৰ সংস্কৃতি ওচৰৰ পৰা প্ৰত্যক্ষ কৰিবলৈ পোৱাটো তেওঁৰ বাবে সৌভাগ্য বুলিও প্ৰধানমন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে। অসমীয়া কলা সংস্কৃতিক বিশ্ব দৰবাৰত জিলিকাই তুলিবলৈ চৰকাৰে সুদূৰ প্ৰসাৰী পদক্ষেপ গ্ৰহণ কৰিছে বুলিও প্ৰধানমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। বড়োলেণ্ডত এসময়ৰ অপ্ৰীতিকৰ পৰিস্থিতিৰ পৰিৱৰ্তে এতিয়া প্ৰগতিৰ সূচনা হৈছে বুলি উল্লেখ কৰি প্ৰধানমন্ত্ৰীয়ে কয়, যে এতিয়া বড়োভূমিত কৃষ্টি-সংস্কৃতিয়ে মনোমোহা পৰিৱেশৰ সূচনা কৰিছে।

*-বাইট-*

অনুষ্ঠানত  মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই বড়ো জনগোষ্ঠীক সমগ্ৰ ভাৰতৰ গৌৰৱৰ আৰু স্বাভিমানৰ প্ৰতীক বুলি অভিহিত কৰে। বাগৰুম্বা নৃত্যই বড়ো জনগোষ্ঠীৰ কৃষ্টি আৰু সংস্কৃতিক প্ৰতিনিধিত্ব কৰে বুলিও মুখ্যমন্ত্ৰী ড° শৰ্মাই মন্তব্য কৰে। তেওঁ লগতে কয় যে বড়ো জনগোষ্ঠীৰ উন্নয়ন আৰু উত্তৰণৰ বাবে ৰাজ্য চৰকাৰে কাম কৰি যাব। প্ৰধানমন্ত্ৰী মোদীৰ উপস্থিতিয়ে বড়ো  জনগোষ্ঠীৰ লোকসকলৰ সন্মান আৰু আদৰ্শক নতুন পৰ্যায়লৈ লৈ গল বুলিও মুখ্যমন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে।

oooooooo

গুৱাহাটী-উত্তৰ গুৱাহাটীৰ মাজত নিৰ্মীয়মান কুমাৰ ভাস্কৰ বৰ্মা সেতু অহা মাহত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মুকলি কৰিব। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ফে'চবুক লাইভযোগে এই বিষয়ে প্ৰকাশ কৰিছে। তেওঁ লগতে গুৱাহাটী ক্লাবৰ পৰা চানমাৰি, বামুণীমৈদাম, নুনমাটি সংযোগী উৰণসেঁতুখনো অহা মাহৰ ভিতৰতে মুকলি কৰা হ'ব বুলি আশা প্ৰকাশ কৰিছে।

*-বাইট-*

oooooooo

২০০৩ চনত স্বাক্ষৰিত বড়ো চুক্তি আৰু ২০২০ চনত সম্পাদিত বড়ো শান্তি চুক্তিৰ কিছু অংশ এতিয়াও ৰূপায়ণ কৰিবলৈ বাকী আছে বুলি বি টি চি মুৰববী হাগ্ৰামী মহিলাৰীয়ে প্ৰকাশ কৰিছে। **বাগৰুম্বা দহৌত** অংশগ্ৰহণ কৰি শ্ৰীমহিলাৰীয়ে কালি এইদৰে মন্তব্য কৰে। ২০০৩ চনত অটল বিহাৰী বাজপেয়ীৰ দিনত বড়ো চুক্তি আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত ২০২০ চনত বড়ো শান্তি চুক্তি সম্পাদিত হোৱা বুলি বিটিচিৰ মুৰববীগৰাকীয়ে কয়, যে বড়ো লোকসকলে বিজেপি চৰকাৰে দেখুওৱা মৰম কেতিয়াও পাহৰিব নোৱাৰে। বিজেপি চৰকাৰে লোৱা পদক্ষেপৰ বাবেই বড়োলেণ্ডত শান্তি বৰ্তি আছে বুলি তেওঁ উল্লেখ কৰে। তেওঁ লগতে চুক্তি দুখনৰ বাকী অংশ ৰূপায়ন কৰিবলৈ অনুৰোধ জনায়। শ্ৰীমহিলাৰীয়ে বাগৰুম্বা নৃত্য প্ৰদৰ্শনৰ সুযোগ দিয়াৰ বাবে আৰু বড়োসকলৰ কলা সংস্কৃতিক বিশ্ব দৰবাৰলৈ লৈ যোৱাৰ বাবে ৰাজ্য চৰকাৰ আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ প্ৰচেষ্টাৰো শলাগ লয়।

oooooooo

ৰাজ্য চৰকাৰ আৰু কাৰ্বি সমাজৰ প্ৰতিনিধিৰ মাজত কালি হ'বলগীয়া আলোচনা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অসম ভ্ৰমণৰ পৰিপ্ৰেক্ষিতত স্থগিত ৰখা হৈছে বুলি মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমযোগে জানিবলৈ দিছে। মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে আলোচনাৰ দিন শীঘ্ৰে নিৰ্ধাৰণ কৰা হ'ব। পাৰস্পৰিক সন্মান আৰু বুজাবুজিৰ মাজেৰে সকলো বিষয় সমাধান কৰিবলৈ চৰকাৰ দায়বদ্ধ বুলিও মুখ্যমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে।

০০০০০০০

অসম আৰু কাশ্মীৰৰ মাজত ভৌগোলিকভাৱে ভালেখিনি ব্যৱধান আছে যদিও ৰাজ্য দুখন সাংস্কৃতিকভাৱে সংপৃক্ত হৈ আছে বুলি ৰাজ্যপাল লক্ষ্মণপ্ৰসাদ আচাৰ্যই মন্তব্য কৰিছে। গুৱাহাটীত কালি এছ এছ বি ৰ ১৩ নম্বৰ বেটেলিয়নৰ উদ্যোগত আয়োজিত ভাৰত দৰ্শন ট্যুৰ'ৰ অংশ হিচাপে অসমলৈ অহা কাশ্মীৰ উপত্যকাৰ ২৫ গৰাকী বিদ্যাৰ্থীৰ সৈতে মত বিনিময় কৰি ৰাজ্যপালগৰাকীয়ে এই ভ্ৰমণত দেশৰ একতাৰ প্ৰতীক বুলি অভিহিত কৰে। বৈচিত্ৰ্যৰ মাজত ঐক্যৰ বিষয়ে আলোকপাত কৰি ৰাজ্যপাল আচাৰ্যই কয়, যে দেশৰ ভিন্ন প্ৰান্তৰ জনসাধাৰণৰ ভাষা, খাদ্যাভাস, সাজ-পোছাক আৰু পৰম্পৰা ভিন ভিন যদিও সংবিধান, গণতন্ত্ৰ আৰু উমৈহতীয়া প্ৰমূল্যৰাজিয়ে সকলোকে ঐক্যবদ্ধ কৰি ৰাখিছে। তেওঁ কয়, যে **এক ভাৰত, শ্ৰেষ্ঠ ভাৰত** এটা ধ্বনিয়েই নহয় বৰং এয়া জীৱন যাপনৰ শৈলী। তেওঁ লগতে ভাৰত দৰ্শনৰ দৰে কাৰ্যসূচীয়ে বিভিন্ন অঞ্চলৰ যুৱক-যুৱতীসকলৰ মাজত আৱেগিক বান্ধোন আৰু পাৰস্পৰিক বুজা পৰা সুদৃঢ় কৰাৰ গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। জ্যেষ্ঠজনৰ প্ৰতি সন্মান, শিল্প, সংগীত আৰু হস্তশিল্পৰ প্ৰতি আগ্ৰহ তথা প্ৰকৃতিৰ সৈতে সহাৱস্থানকে ধৰি কাশ্মীৰ আৰু অসমৰ মাজত ভালেমান সাদৃশ্য আছে বুলি তেওঁ মন্তব্য কৰে। ৰাজ্যপালগৰাকীয়ে লগতে এই ভ্ৰমণে জীৱনজোৰা মৈত্ৰীৰ ভেঁটি গঢ়ি তুলিব বুলি আশাপ্ৰকাশ কৰে।

০০০০০০০

আউনীআটি সত্ৰৰ মণিকাঞ্চন ৰংগক্ষেত্ৰত আজিৰে পৰা ১১ দিনীয়াকৈ অসম ভাওনা সমাৰোহ ২০২৬ অনুষ্ঠিত হৈছে। পুৱা চাৰে ৮ বজাত প্ৰভাতি কীৰ্তনৰ পাছতেই উদযাপন সমিতিৰ সভাপতি তথা সত্ৰাধিকাৰ ডঃ পীতাম্বৰ দেৱগোস্বামীয়ে ধৰ্মধ্বজা উত্তোলন কৰে। ইয়াৰ পাছত ক্ৰমে মণিকূটৰ দ্বাৰ উন্মোচন আৰু জুবিন গাৰ্গ প্ৰদৰ্শনী ক্ষেত্ৰ উদ্বোধন কৰা হয়। দিনৰ ১১ বজাৰ পৰা ভাওনা সমাৰোহৰ উদ্বোধনী অনুষ্ঠান অনুষ্ঠিত হ'ব। মাজুলীৰ লগতে ৰাজ্যৰ বিভিন্ন জিলাৰ পৰা অহা ৫শ গৰাকী সূত্ৰধাৰৰ সূত্ৰ নৃত্য পৰিৱেশনেৰে ভাওনা সমাৰোহৰ শুভাৰম্ভ হ'ব। উদ্বোধনী অনুষ্ঠানত অসম সাহিত্য সভাৰ সভাপতি ডঃ বসন্ত কুমাৰ গোস্বামী, বৈদেশিক পৰিক্ৰমা ৰাজ্যমন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটা আৰু কৃষিমন্ত্ৰী অতুল বৰাকে ধৰি ভালসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকিব।

০০০০০০০

অসম বিধানসভাৰ বাজেট অধিৱেশন অহা ১৬ ফেব্ৰুৱাৰীত আৰম্ভ হ'ব। বিধানসভাৰ কাৰ্যক্ৰমণিকা উপদেষ্টা কমিটীয়ে এই অধিৱেশন কিমান দিনৰ বাবে অনুষ্ঠিত হ'ব সেয়া নিৰ্ধাৰণ কৰিব। বিধানসভা নিৰ্বাচন মাৰ্চ শেষভাগত বা এপ্ৰিলৰ প্ৰথম ভাগত অনুষ্ঠিত হোৱাৰ সম্ভাৱনাৰ পৰিপ্ৰেক্ষিতত ৰাজ্য চৰকাৰে ২০২৬-২৭ বিত্তীয় বৰ্ষৰ বাবে পূৰ্ণাংগ বাজেটৰ পৰিৱৰ্তে লেখানুদানহে দাখিল কৰিব।

০০০০০০০

কেন্দ্ৰীয় পথ পৰিবহণ আৰু ঘাইপথ মন্ত্ৰালয়ে ৰাষ্ট্ৰীয় ঘাইপথসমূহত যাতায়াত অধিক দ্ৰুত আৰু স্বচ্ছ কৰাৰ বাবে নতুন পদক্ষেপ লৈছে। এই অনুসৰি পহিলা এপ্ৰিলৰ পৰা দেশৰ সকলো টোল প্লাজাত নগদ ধনৰ লেন-দেন

নিষিদ্ধ কৰা হৈছে। ইয়াৰ পৰিৱৰ্তে টোলটেক্স আদায় দিয়াৰ বাবে ফাষ্টটেগ অথবা ইউ পি আই ব্যৱহাৰ কৰাতো বাধ্যতামূলক কৰা হৈছে। এই নতুন নিয়নৰ ফলত টোল প্লাজাসমূহত দীঘলীয়া যান-জঁট হ্ৰাস পোৱাৰ লগতে ইন্ধন ৰাহি হ'ব বুলি আশা কৰা হৈছে।

0000000

IIT গুৱাহাটীত দুদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত প্ৰবাসী অসমীয়া সন্মিলনৰ কালি সামৰণি পৰে। এই সন্মিলনত বিভিন্ন ৰাষ্ট্ৰত বসবাস কৰা শতাধিক প্ৰবাসী অসমীয়াই অংশ লয়। কালি সামৰণি উপলক্ষে কেইবাটাও গুৰুত্বপূৰ্ণ বিষয়ত আলোচনা অনুষ্ঠিত হয়। 'উদ্যমশীলতা আৰু দৰ্শন' বিষয়ত অনুষ্ঠিত এটা মনোজ্ঞ আলোচনাত ভোলানাথ বৰুৱা, লক্ষ্মীনাথ বেজবৰুৱা, জ্যোতিপ্ৰসাদ আগৰৱালা, ড° ভূপেন হাজৰিকা, জুবিন গাৰ্গকে ধৰি শিল্পীসকলৰ সৃষ্টি কৰ্ম আৰু সামাজিক দায়বদ্ধতা সম্পৰ্কে আলোচনা কৰা হয়। এই অনুষ্ঠানত IITৰ অধ্যাপক ড° প্ৰবোধ বৰা, তেজপুৰ বিশ্ববিদ্যালয়ৰ অধ্যাপক ড° মানৱেন্দ্ৰ ভূঞাকে ধৰি ভালেসংখ্যক বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে।

0000000

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ মৃত্যুৰ দিন অৰ্থাৎ শিল্পী দিৱস উপলক্ষে যোৱা নিশা ৮ বাজি ২ মিনিটৰ পৰা বিশেষ অনুষ্ঠান প্ৰচাৰ কৰে। আলোকৰ বাটে বাটে শীৰ্ষক এই অনুষ্ঠানত বাতৰি পঢ়োতা, বাতৰি সম্পাদক, ডিটিপি কৰ্মচাৰী আৰু সহায়কসকলে জ্যোতিপ্ৰসাদ আগৰৱালাৰ গীত, কবিতা আৰু নাটকৰ সংলাপ পৰিৱেশন কৰে। অনুষ্ঠানটোৰ পৰৱৰ্তী অংশ আজি সন্ধিয়া ৭ বাজি ৩৫ মিনিটৰ পৰা আকাশবাণী গুৱাহাটীযোগে প্ৰচাৰ কৰা হ'ব। এই অনুষ্ঠানটোৰ পৰিকল্পনা আৰু পৰিচালনা আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰৰ।

0000000

অসম আজি ৰাজকোটত হ'বলগীয়া ১৬ বছৰ অনুৰ্দ্ধৰ বিজয় মাৰ্চেণ্ট ট্ৰফী ক্ৰিকেট প্ৰতিযোগিতাৰ ছেমি ফাইনেলত মহাৰাষ্ট্ৰৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। অসমে কোৱাৰ্টাৰ ফাইনেলত পঞ্জাৱক ৩ উইকেটত পৰাস্ত কৰি ছেমি ফাইনেলত স্থান নিশ্চিত কৰিছে।

0000000

ভাৰত আৰু নিউজিলেণ্ডৰ মাজত চলিত এদিনীয়া ক্ৰিকেট শৃংখলাৰ তৃতীয় তথা অন্তিমখন খেল আজি ইন্দোৰৰ হোলকাৰ ষ্টেডিয়ামত অনুষ্ঠিত হ'ব। খেলখন দিনৰ ডেৰবজাত আৰম্ভ হ'ব। দুয়োটা দলে সম্প্ৰতি শৃংখলাত একোখনকৈ খেলত জয়লাভ কৰিছে। ভাৰতে প্ৰথমখন খেলত জয়লাভ কৰাৰ বিপৰীতে নিউজিলেণ্ডে দ্বিতীয়খন খেলত বিজয়ী হৈছে। উল্লেখযোগ্য যে, নিউজিলেণ্ডে ১৯৮৯ চনৰে পৰা ভাৰতত কোনো দ্বিপাক্ষিক শৃংখলাত জয়ী হোৱা নাই।

0000000

**সৰুসজাইৰ ভোগেশ্বৰ বৰুৱা ক্ৰীড়া প্ৰকল্পত কালি প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোদীৰ উপস্থিতিত ১০ হাজাৰৰো অধিক শিল্পীয়ে বড়ো জনগোষ্ঠীৰ লোকনৃত্য বাগৰুম্বা প্ৰদৰ্শন কৰাৰ বাতৰি আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰিকাকত সমূহে প্ৰথম পৃষ্ঠাত আলোকচিত্ৰসহ প্ৰকাশ কৰিছে। বাগৰুম্বা কেৱল নৃত্য নহয়, ই বড়ো জাতিৰ জীৱন্ত উৎসৱ-** সৰুসজাইত ঐতিহাসিক মুহূৰ্তৰ

সাক্ষী হৈ প্ৰধানমন্ত্ৰী মোদীয়ে এইদৰে মন্তব্য কৰাৰ বাতৰি অসমীয়া **প্ৰতিদিন কাকতে** প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোদীৰে কালি হাওৰা-কামাখ্যা সংযোগী বন্দে ভাৰত শ্লীপাৰ এক্সপ্ৰেছ ৰেল সেৱা মুকলি কৰাৰ বাতৰি **দৈনিক অগ্ৰদূত, অসমীয়া খবৰ** আদি কাকতৰ লগতে আন আন কাকতসমূহেও প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। শিল্পী দিৱসত কালি ৰাজ্যজুৰি ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাক স্মৰণ কৰাৰ বাতৰি **নিয়মীয়া বাৰ্তা** কাকতে প্ৰকাশ কৰিছে। ৰূপকোঁৱৰৰ প্ৰতিচ্ছবিত মূৰ দোৱাই প্ৰধানমন্ত্ৰী মোদীয়ে শ্ৰদ্ধা জ্ঞাপন কৰাৰ বাতৰি কাকত খনে অৰুণাচলৰ ছেলা হ্ৰদত কেৰালাৰ দুগৰাকী পৰ্যটকৰ সলিল সমাধি ঘটাৰ বাতৰি **দৈনিক অসম** কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।কামৰূপ ছেছন আদালতে কালি চতুৰ্থ বাৰৰ বাবে শিল্পী জুবিন গাৰ্গৰ হত্যাৰ গোচৰৰ শুনানি গ্ৰহ কৰাৰ বাতৰিটো -২২ জানুৱাৰীত পৰৱৰ্তী শুনানি- জামিন বিচাৰি শ্যামকাণুৰ আৱেদন- এই শিৰোণামেৰে প্ৰকাশ কৰিছে।একেটা বাতৰিকেই **ডি আছাম ট্ৰিবিউন** কাকতেও Sessions court to hear all 5 bail petitions on January 22 এই শিৰোনামেৰে প্ৰথম পৃষ্ঠাত স্থান দিছে। অসম বিধান সভাৰ অধিবেশন অহা ১৬ ফেব্ৰুৱাৰীত আৰম্ভ হব- এই বাতৰিটো **ড্যা চেন্টিনেল** কাকতে প্ৰকাশ কৰিছে।

0000000

গুৱাহাটী প্ৰেছ ক্লাবৰ উদ্যোগত পল্টন বজাৰৰ ভাৰতীয় ক্ৰীড়া প্ৰাধিকৰণৰ ষ্টেডিয়ামত আজি বিভিন্ন সংবাদ মাধ্যমৰ সদস্যসকলৰ মাজত খেল-ধেমালি প্ৰতিযোগিতা অনুষ্ঠিত হৈছে। পুৱা ৯ বজাৰ পৰা এই প্ৰতিযোগিতা অনুষ্ঠিত হৈছে। প্ৰতিযোগিতাত পুৰুষৰ এথলেটিক্চ আৰু মহিলাৰ বাবে কেতবোৰ থলুৱা খেল-ধেমালি অনুষ্ঠিত হৈছে।

0000000

চৰাইদেউ জিলাৰ সোণাৰিৰ ভগৱতী প্ৰসাদ বৰুৱা সোঁৱৰণি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰাক্তন শিক্ষক, সাংবাদিক, সমাজকৰ্মী, শিল্পী পেঞ্চনাৰ গুণসিন্ধু ডিম্বেশ্বৰ গগৈৰ কালি সন্ধিয়া দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৯১ বছৰ। আকাশবাণী ডিব্ৰুগড় কেন্দ্ৰত ১৯৬৯ চনৰ পৰা বিহুনাম পৰিৱেশন কৰি অহা শিল্পীগৰাকী বিভিন্ন সামাজিক কাম-কাজৰ সৈতে জড়িত আছিল। তেওঁৰ মৃত্যুত বিভিন্ন ব্যক্তি আৰু দল-সংগঠনে শোক প্ৰকাশ কৰিছে।

0000000

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত পুৱাৰ ভাগত ঘন কুঁৱলী পৰাৰ আৰু পাছলৈ বতৰ আংশিকভাৱে ডাৱৰীয়া হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ২৭ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ১৩ ডিগ্ৰী ছেলছিয়াছ হ’ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অসম আৰু মেঘালয় ঠাই বিশেষে ঘন কুঁৱলী পৰাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

0000000

**সমাপ্ত**